***Assamese Midday Bulletin***
***HEADLINES***
***Time : 1340hrs***
***Date 11-01-25***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰামলাল্লাৰ অভিষেকৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষ্যে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি নতুন দিল্লীত ড্ৰাগছ্ সৰবৰাহ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় এখন আঞ্চলিক সন্মিলন অনুষ্ঠিত হয়।

৩। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে জম্মুত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰ স্থাপনৰ কথা ঘোষণা কৰিছে।

৪। মহাকুম্ভ-২০২৫ৰ বাবে মাজত দুটা দিন বাকী থকা অৱস্থাত তীৰ্থযাত্ৰী আৰু ভ্ৰমণকাৰীসকলৰ সুবিধাৰ অৰ্থে যাতায়তৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আৰু

৫। মালয়েছিয়া ছুপাৰ ৱান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰামলাল্লাৰ অভিষেকৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষ্যে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে শ্ৰীমোদীয়ে কয় যে এই মন্দিৰটো শতিকাজোৰা ত্যাগ, তপস্যা আৰু সংগ্ৰামৰ অন্তত নিৰ্মাণ কৰা হৈছে। এই মন্দিৰ আমাৰ মহান সাংস্কৃতিক ঐতিহ্য আৰু আধ্যাত্মিকতাৰ এক নিদৰ্শন বুলিও তেওঁ অভিহিত কৰে। তেওঁ আশা প্ৰকাশ কৰে যে এই মন্দিৰটো উন্নত ভাৰত গঢ়াৰ সংকল্প সাধন যাত্ৰাত অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিকশিত ভাৰত যুৱ নেতা বৈঠকত অংশগ্ৰহণ কৰিব। ভাৰতৰ মহান আধ্যাত্মিক নেতা তথা যুথ আইকন স্বামী বিবেকানন্দৰ জন্মবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰীয় যুৱ দিৱস পালন কৰা হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে সমগ্ৰ দেশৰ ৩ হাজাৰ সক্ৰিয় যুৱ নেতাৰ সৈতে বাৰ্তালাপ কৰিব। তেওঁ লগতে অংশগ্ৰহণকাৰীসকলে প্ৰযুক্তি, বহনক্ষমতা, নাৰী সবলীকৰণ, নিৰ্মাণকাৰ্য আৰু কৃষিকে ধৰি ১০টা বিষয়ত লিখা শ্ৰেষ্ঠ ৰচনাসমূহৰ এটা সংকলন মুকলি কৰিব। এই বিকশিত ভাৰত যুৱ নেতা বৈঠকৰ জৰিয়তে বিগত ২৫ বছৰে অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ পুৰণি পৰম্পৰাক আঁতৰ কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি নতুন দিল্লীত ড্ৰাগছ্ সৰবৰাহ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় এখন আঞ্চলিক সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত ড্ৰাগছ্ সৰবৰাহ বৃদ্ধি আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ওপৰত

আৰু ইয়াৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ ভাৰতৰ ৮খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত বিশেষ আলোকপাত কৰা হৈছে।

এই অনুষ্ঠানত শ্ৰী শ্বাহে নিচাযুক্ত দ্ৰব্য নিষ্কিয়কৰণ পষেক আৰু সকলো ৰাজ্য তথা আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ Manas-2 Helpline সম্প্ৰসাৰণৰ শুভাৰম্ভ কৰে। শ্ৰীশ্বাহে লগতে নাৰ্কটিকছ কণ্ট্ৰ'ল ব্যু'ৰ'ৰ ভূপাল মণ্ডল শাখাৰ নতুন কাৰ্যালয় চৌহদটোও উদ্বোধন কৰে। আজিৰে পৰা অহা ২৫ জানুৱাৰীলৈ নিচাযুক্ত দ্ৰব্য নিষ্কিয়কৰণ পষেক অভিযান অব্যাহত থাকিব। এই অভিযানৰ সময়ছোৱাত ২ হাজাৰ ৪১১ টকা বজাৰ মূল্যৰ মুঠ ৪৪ হাজাৰ ৭৯০ কিলোগ্ৰাম নিচাযুক্ত দ্ৰব্য জব্দ কৰি নষ্ট কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে জম্মুত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰ স্থাপনৰ কথা ঘোষণা কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে এই পদক্ষেপে জম্মু আৰু কাশ্মীৰৰ বতৰ বিজ্ঞান সেৱাক প্ৰভাৱিত কৰাৰ লগতে অঞ্চলটোৰ সাম্ভাব্য দুৰ্যোগৰ ক্ষেত্ৰত প্ৰস্তুতি আৰু জলবায়ুৰ স্থিতিস্থাপকতা অধিক বৃদ্ধি কৰিব। এই পদক্ষেপে বৈজ্ঞানিক আন্তঃগাঠনি শক্তিশালী কৰাৰ লগতে নাগৰিকসকলক নিৰ্ভৰযোগ্য বতৰৰ আগলি বতৰা প্ৰেৰণ কৰি চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰিব। ড০ সিঙে বিশ্ব বতৰ বিজ্ঞান সংস্থাই শতবৰ্ষীয় কেন্দ্ৰ হিচাপে স্বীকৃতি দিয়া শ্ৰীনগৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ ঐতিহাসিক গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। তেওঁ জম্মুৰ নতুন আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰটোৱে সুকীয়া ভৌগলিক আৰু জলবায়ু সমৃদ্ধ অঞ্চলটোৰ বতৰৰ পূৰ্বাভাস প্ৰকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০

অসমৰ ডিমাহাছাও জিলাৰ উমৰাংছ'ৰ তিন কিল' কয়লাখনিৰ পৰা আজি পুৱা আৰু দিনৰ ভাগত মুঠ তিনিটা মৃতদেহ উদ্ধাৰ কৰা হয়। আকাশবাণীৰ হাফলঙৰ সংবাদদাতা মনছুন সিঙে জনোৱা মতে পুৱা উদ্ধাৰ হোৱা মৃতদেহটো উমৰাংছ'ৰ সমীপৰ কালা মাটিৰ লাইজান মগৰ নামৰ এজন ২৬ বছৰীয়া যুৱকৰ বুলি চিনাক্ত কৰা হৈছে। দিনৰ ভাগত উদ্ধাৰ হোৱা মৃতদেহদুটা এতিয়ালৈ চিনাক্ত কৰা হোৱা নাই। ইয়াকে ধৰি এতিয়ালৈকে খনিটোৰ পৰা ৪টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। নৌ সেনা, এন ডি আৰ এফ, এছ ডি আৰ এফ, অ' এন জি চি আৰু জিলা প্ৰশাসনে আজি ষষ্ঠ দিনাও উদ্ধাৰ অভিযান পূৰ্ণোদ্যমে চলাই আছে।

০০০০০

ভাৰত বাংলাদেশ সীমান্তত কোচবিহাৰ লালমনিহাত চেগমেণ্টত কালি পুৱা সীমান্ত নিৰাপত্তাৰক্ষী বাহিনী , বি এছ এফ জোৱানসকলে কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ চেষ্টা চলাওতে বাংলাদেশ সীমান্তৰক্ষী বাহিনীয়ে বাধা আৰোপ কৰে। বাংলাদেশ ইউনাইটেড নিউজে জনোৱা অনুসৰি বাংলাদেশৰ লালমনিহাত জিলাৰ দহাগ্ৰাম সীমান্তৰ ৮-৪১ স্তম্ভ এলেকাৰ সমীপৰ জিৰ'লাইনত কালি পুৱা এটা ব্যক্তিগত সংবাদ সংস্থা বি এছ এফৰ জোৱান আৰু নিৰ্মাণ কৰ্মীসকলে কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰি থকা ঘটনাৰ খবৰ পোৱাৰ লগে লগে বাংলাদেশ সীমান্তৰক্ষী জোৱানসকলে হস্তক্ষেপ কৰি তেওঁলোকৰ কাম বন্ধ কৰিবলৈ বাধ্য কৰায়।

০০০০

প্ৰয়াগৰাজত হ'বলগীয়া মহাকুম্ভ-২০২৫ৰ বাবে মাজত দুটা দিন বাকী থকা অৱস্থাত মহানগৰীলৈ আহিবলগীয়া তীৰ্থযাত্ৰী আৰু ভ্ৰমণকাৰীসকলৰ সুবিধাৰ অৰ্থে যাতায়তৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত আমাৰ আকাশবাণীৰ সংবাদদাতাই দাখিল কৰা প্ৰতিবেদন মৰ্মে ভাৰতীয় ৰে'লৰে যাতায়তৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে। প্ৰয়াগৰাজলৈ আহিবলগীয়া লাখ লাখ ভক্ত আৰু ভ্ৰমণকাৰীসকলৰ নিৰাপদ ভ্ৰমণ সুনিশ্চিত কৰাৰ লগতে **অমৃতস্নান**ৰ বাবে ৩ হাজাৰ ৩০০ খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰাৰ উপৰিও ১০ হাজাৰতকৈও অধিক ৰে'ল চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। যাত্ৰীৰ ভিৰ পৰিচালনাৰ বাবেও ৰে'লৰে কৰ্তৃপক্ষই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ পাছতে মনোনয়ন প্ৰক্ৰিয়া কালি আৰম্ভ হয়। মনোনয়নৰ কালি প্ৰথম দিনা বিভিন্ন বিধানসভা সমষ্টিৰ ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। অহা ১৭ জানুৱাৰী মনোনয়ন দাখিলৰ অন্তিম দিন। ইফালে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে নিজ নিজ এলেকাত ভোটদাতাসকলক আকৰ্ষিত কৰিবৰ বাবে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। নতুন দিল্লী বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী পাৰ্ভেশ বাৰ্মাই সমষ্টিটোৰ বিভিন্ন অঞ্চলত গৈ প্ৰচাৰ চলাইছে। একেটা সমষ্টিৰে কংগ্ৰেছ প্ৰাৰ্থী সন্দীপ দিক্ষিতেও প্ৰচাৰ অভিযানত নামি পৰিছে। এইখন আসনৰ পৰাই আম আদমী পাৰ্টিৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালেও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কলকাজি বিধানসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱা দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে নিজৰ সমষ্টিত প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। একেটা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱা বিজেপি ৰমেশ বিধুৰীয়ে কালি গোবিন্দপুৰী আৰু অন্যান্য অঞ্চলতসমূহত নিৰ্বাচন প্ৰচাৰ চলায়। মালবিয়া নগৰ অঞ্চলত বিজেপি প্ৰাৰ্থী সতীশ উপাধ্যায় আৰু আম আদমী পাৰ্টিৰ প্ৰাৰ্থী সোমনাথ ভাৰতীয়ে কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। ৰাজৌৰি গাৰ্ডেনৰ বিজেপি প্ৰাৰ্থী মজিন্দাৰ সিং ছিৰছাই কালি এখন জনসভাত অংশ লয়। উল্লেখযোগ্য যে দিল্লী বিধানসভা নিৰ্বাচন অহা ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব।

০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কিয়ে কালি ৰাছিয়াৰ বিৰুদ্ধে চলাই থকা ইউক্ৰেইনৰ যুদ্ধৰ প্ৰতি আমেৰিকাৰ সমৰ্থন সন্দৰ্ভত আলোচনা কৰে। দুয়োগৰাকী নেতাৰ টেলিফনিক বাৰ্তালাপত ৰাছিয়াৰ শক্তি খণ্ডক কেন্দ্ৰ কৰি আমেৰিকাৰ নিষেধাজ্ঞাৰ বিষয়টোৰে অগ্ৰাধিকাৰ লাভ কৰে। ৰাষ্ট্ৰপতি জ' বাইডেনৰ প্ৰশাসনে  ৰাছিয়াৰ তেল আৰু গেছৰ ৰাজহক লক্ষ্য কৰি নিষেধাজ্ঞা আৰোপ কৰিছে। হোৱাইট হাউছৰ অৰ্থনৈতিক আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা দলীপ সিঙে কয় যে ৰাছিয়াৰ শক্তি খণ্ডত এতিয়ালৈকে আমেৰিকাৰ এয়া উল্লেখযোগ্য নিষেধাজ্ঞা।

০০০০০

ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰ্মন শনমুগাৰত্নমে অহা ১৪ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰীলৈ ছদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহাৰ কথা। বিগত ১০ বছৰত এয়া হ'ব ছিংগাপুৰৰ ৰাষ্ট্ৰপতিৰ প্ৰথম আনুষ্ঠানিক ভাৰত ভ্ৰমণ। ভাৰত আৰু ছিংগাপুৰৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৬০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাষ্ট্ৰপতিগৰাকী ভাৰত ভ্ৰমণলৈ আহিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণকালত নতুন দিল্লী আৰু উৰিষ্যা সামৰি লোৱাৰ কথা। তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব।

০০০০

কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া ছুপাৰ ৱান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ্‌ত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীয়ে আজি ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ চিউ চিউং-জে আৰু কিম ৱন-হোৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।  ইয়াৰ পূৰ্বে কালি কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটোৱে মালয়েছিয়াৰ ইউ ছিন ৰং আৰু এ ই টিঅ'ৰ যুটীক ২৬-২৪ আৰু ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰে।

০০০০০০০০০